# 2014

## ASSAMESE

## ( Major )

## Paper : 4.1

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ ভিতৰত কোনবিধ ধ্বনি দূৰৰ পৰা স্পষ্টৰূপে শুনা যায়?

(খ) প্ৰাকৃতিৰ বিচাৰ-বিশ্লেষণক কি নামেৰে বুজোৱা হয়?

(গ) "ব্যাকৰণ মাত্ৰৰে তলিখন ফুটা" কথাষাৰ কোনে কৈছিল?

(ঘ) উত্তৰ-পাণিনীয় যুগৰ সৰ্বশ্ৰেষ্ঠ ৰচনাৰূপে স্বীকৃত 'মহাভাষ্য' কোনে ৰচনা কৰিছিল?

(ঙ) ধাতুৰ পিছত কি প্ৰত্যয় যোগ হয়?

(চ) কৰণ কাৰকৰ ক্ষেত্ৰত কি কি বিভক্তি যোগ হয়?

(ছ) 'ক্ষ'টো কি কি বৰ্ণৰ সংযুক্ত ৰূপ ?

(জ) 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' শীৰ্ষক গ্ৰন্থখন কোনে ৰচনা কৰিছিল ?

(ঝ) ইংৰাজী ভাষাত প্ৰথমখন অসমীয়া (ভাষাৰ) ব্যাকৰণ কোনে ৰচনা কৰিছিল ?

(ঞ) 'ৰূপান্তৰ স্ফোট ব্যাকৰণ তত্ত্ব' (TG) কোনে উদ্ভাৱন কৰিছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ব্যাকৰণৰ মতে ভাষা বুলিলে কি বুজা ?

(খ) অক্ষৰ আৰু আখৰৰ পাৰ্থক্য লিখা।

(গ) সৰল বাক্য আৰু মিশ্ৰ বাক্যৰ একোটিকৈ উদাহৰণ দিয়া।

(ঘ) বচন কাক বোলে ? অসমীয়া ভাষাত বচন কেই প্ৰকাৰৰ আৰু কি কি ?

(ঙ) অসমাপিকা ক্ৰিয়া কাক বোলে ? উদাহৰণসহ বুজাই লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) বিৰোধমূলক ব্যাকৰণ (contrastive grammar) বুলিলে কি বুজা ?

(খ) তলৰ শব্দকেইটিৰ লিঙ্গ পৰিৱৰ্তন কৰা :

দন্তাল, বাপ, টাঙ্গন, বৈনাই, কিৰাত।

(গ) অনির্দিষ্টতাসূচক বচন কোনবোৰ? বুজাই লিখা।

(ঘ) অসমীয়া ভাষাৰ জতুৱা খণ্ডবাক্য কাক বোলে? উদাহৰণসহ বুজাই লিখা।

(ঙ) পৰ-প্ৰত্যয়, পূৰ্ব-প্ৰত্যয় আৰু মধ্য-প্ৰত্যয় কাক বোলে?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ পাৰ্থক্য আলোচনা কৰা।

(খ) আধুনিক ব্যাকৰণ (Modern and Formal Grammar) বুলিলে কি বুজা? ইয়াৰ বিশেষত্বসমূহ আলোচনা কৰা।

(গ) ধ্বনিতত্ত্বৰ দিশত অসমীয়া ভাষাৰ স্বকীয়তা প্ৰতিপন্ন হোৱাকৈ অসমীয়া ধ্বনিসমূহৰ পৰিচয় দিয়া।

(ঘ) অসমীয়া ভাষাত বচন-নিৰপেক্ষ ৰূপ বুলিলে কি বুজা? আলোচনা কৰা।

(ঙ) 'খা' ধাতুৰ সৈতে বিভিন্ন কাল, পুৰুষ আৰু ভাৱ অনুযায়ী ক্ৰিয়াবিভক্তিবোৰ লগলাগিলে কি ৰূপ লয়? এখন তালিকা তৈয়াৰ কৰি বুজাই লিখা।

(চ) বাক্যৰ নিকটস্থ অঙ্গ বুলিলে কি বুজা? অসমীয়াত বিশেষণ আৰু ক্ৰিয়াবিশেষণ শব্দৰ নিৰ্ণয়ত নিকটস্থ অঙ্গই কেনেদৰে সহায় কৰে, আলোচনা কৰা।

(ছ) নিৰ্দিষ্টতাবাচক প্ৰত্যয় কাক বোলে? অসমীয়া ভাষাত ইয়াৰ প্ৰয়োগ উদাহৰণেৰে বহলাই আলোচনা কৰা।

★ ★ ★